অধ্যায় ৯ ঃ শংকৰোত্তৰ যুগৰ সাহিত্য — ২

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ শংকৰোত্তৰ যুগৰ সাহিত্য

৯.৩.১ বুৰঞ্জী সাহিত্য

৯.৩.২ ব্যৱহাৰিক সাহিত্য

৯.৩.৩ অন্যান্য সাহিত্য

৯.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৫ অধিক জানিবলৈ

৯.৬ অগ্রগতিৰ খতিয়ান

৯.৭ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শংকৰোত্তৰ যুগৰ অন্যতম সৃষ্টি বুৰঞ্জী সাহিত্য সম্পর্কে অৱগত হ'ব
- শংকৰোত্তৰ যুগত আৰম্ভ হোৱা ব্যৱহাৰিক সাহিত্য সম্পর্কে জানিব পাৰিব
- শংকৰোত্তৰ যুগত ৰচিত অন্যান্য সাহিত্যৰাজিৰ বিষয়ে চমু আভাস লাভ কৰিব।

৯.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি শংকৰোত্তৰ যুগৰ সাহিত্য মানে কি সেই সম্পর্কে অৱগত হোৱাৰ লগতে সেই সময়ছোৱাত ৰচিত চৰিত সাহিত্য, নাট্য সাহিত্য আৰু কাব্য সাহিত্য সম্পর্কে বহলাই অধ্যয়ন কৰিলে। সেই অধ্যায়তে আমি উল্লেখ কৰি আহিছোঁ যে শংকৰোত্তৰ কালত চৰিত সাহিত্যৰ লগতে আন দুটি উল্লেখযোগ্য সাহিত্য ধাৰাৰ সৃষ্টি হৈছিল। সেই দুটা হৈছে — বুৰঞ্জী সাহিত্য আৰু ব্যৱহাৰিক সাহিত্য। উল্লেখযোগ্য যে এই সময়ছোৱাত এইকেইবিধ সাহিত্য ধাৰাৰ উপৰি অন্যান্য বিবিধ ধাৰাৰ সাহিত্যও সৃষ্টি হৈছিল। যেনে — চুফী সাহিত্য, তান্ত্রিক আৰু শাক্ত সাহিত্য, গীত ইত্যাদি।

এই অধ্যায়টোত আমি সেইবোৰ সাহিত্যৰ বিষয়ে বহলাই আলোচনা কৰিম। অধ্যায়টোৰ অধ্যয়নে আপোনাক শংকৰোত্তৰ কালৰ সাহিত্যৰ বিষয়ে সম্পূর্ণ পৰিচয় দাঙি ধৰিব।

৯.৩ শংকৰোত্তৰ যুগৰ সাহিত্য

ইতিমধ্যেই আমি উল্লেখ কৰি আহিছোঁ যে অসমীয়া সাহিত্যৰ আহোম যুগ বা শংকৰোত্তৰ যুগৰ দুটি বিশিষ্ট দান হ'ল বুৰঞ্জী আৰু চৰিত পুথিসমূহ। বৈষ্ণৱ সত্ৰবোৰত ৰচিত চৰিত পুথিসমূহে এফালে যেনেকৈ সেই সময়ৰ অসমীয়াৰ জাতীয় জীৱনৰ চিত্ৰ দাঙি ধৰাত সহায় কৰিছে, আনফালে তেনেকৈ অসমীয়া গদ্য সাহিত্যলৈও প্ৰভূত সমল আগবঢ়াইছে। ঠিক সেইদৰে আহোম ৰজাঘৰৰ পৃষ্ঠপোষকতাত ৰচিত বুৰঞ্জীসমূহেও অসমীয়া সাহিত্যক বিশেষ মাত্ৰা প্ৰদান কৰিলে। বুৰঞ্জী আহোমসকলৰ অৱদান। আপুনি নিশ্চয় অৱগত যে ১২২৮ চনত স্বৰ্গদেউ চুকাফাৰ নেতৃত্বত টাই জনগোষ্ঠীৰ অন্তৰ্গত আহোমসকলে উজনি ব্ৰহ্মদেশৰ মুংৰিমুংৰামৰ পৰা আহি পাটকাই পৰ্বতৰ গিৰি পথেদি অসমত সোমাই ইয়াত ৰাজ্য স্থাপন কৰে। *বাঁহগড়ীয়া বুঢ়া গোহাঁইৰ বুৰঞ্জী*কে ধৰি বিভিন্ন বুৰঞ্জীৰ মতে ব্ৰহ্মপুত্ৰ উপত্যকালৈ অহাৰ বাটত খামজাং নামে ঠাইত চুকাফাই লগত অহা মানুহৰ লেখ লৈ দেখিলে যে কিছু সংখ্যক লোক মৃত্যুমুখত পৰিল আৰু কিছুমান বাটত হেৰাল। তেতিয়া তেওঁ লগত অনা পণ্ডিতসকলক এই বুলি বিধান দিলে— "যি ঘটে, যি মৰে, যাক লগ পাওঁ, সকলো কথা পণ্ডিতে লেখি ৰাখিব"। বুৰঞ্জী ৰচনাৰ উৎস চুকাফাৰ এই কথাষাৰ বুলিয়েই মানি অহা হৈছে। অৱশ্যে এই কথাও ঠিক যে শ্যান বা শ্যাম জনগোষ্ঠীৰ অন্তৰ্গত আহোমসকলৰ মাজত অতি পুৰণি কালৰে পৰাই ঘটি যোৱা ঘটনাৰ সবিশেষ লিপিবদ্ধ কৰাৰ নিয়ম বা আন কথাত বুৰঞ্জী লিখাৰ নিয়ম প্ৰচলিত আছিল।

ঠিক সেইদৰে ব্যৱহাৰিক জীৱনৰ লগত সম্পৰ্কিত বিভিন্ন ৰচনাও এই সময়ছোৱাত লিপিবদ্ধ কৰা হৈছিল। সেই সাহিত্য শ্ৰেণীক ব্যৱহাৰিক সাহিত্য বুলি অভিহিত কৰা হৈছে। তলত এই বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ল।

৯.৩.১ বুৰঞ্জী সাহিত্য

অসমীয়া সাহিত্যলৈ আহোম ৰজাসকলৰ একচেটিয়া আৰু অভূতপূৰ্ব অৱদান হৈছে বুৰঞ্জীসমূহ। 'বুৰঞ্জী' শব্দ আহোম ভাষাৰ। ইয়াৰ প্ৰকৃত অৰ্থ (বু- মূৰ্খ, ৰণ্- শিক্ষা, জী- ভঁৰাল) মূৰ্খৰ জ্ঞানৰ ভঁৰাল বা নজনা কথাৰ ভঁৰাল। বুৰঞ্জী সাহিত্যৰ গুণাৱলীলৈ লক্ষ্য ৰাখি ভাষাতত্ত্ববিদ পণ্ডিত সুনীতি কুমাৰ চট্টোপাধ্যায়ে কৈছে— "অসমৰ প্ৰাচীন বুৰঞ্জী সাহিত্য ভাৰতীয় ভাষাবিলাকৰ মাজত একক আৰু অতুলনীয়।"

আদিম যুগৰে পৰা আহোমসকলৰ মাজত বুৰঞ্জী লিখা প্ৰথা চলি আহিছিল। *দেওধাই অসম বুৰঞ্জী*ত আছে স্বৰ্গদেউ চুকাফাই অসমত প্ৰৱেশ কৰাৰ লগে লগে আহোম পণ্ডিতক "যেতিয়া যি কথা যি কৰে, যাক পাঁও সকল কথা পণ্ডিতে লেখি ৰাখিব।"— বুলি আদেশ দিছিল। আহোমসকলে বুৰঞ্জী লিখা আৰু সংৰক্ষণ কৰাটো এটা প্ৰধান আৰু পৱিত্ৰ কৰ্ম বুলি বিবেচনা কৰিছিল। বুৰঞ্জী ৰজা আৰু ডা-ডাঙৰীয়াৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ এটা প্ৰধান বিষয় আছিল। বিয়াত বেদমন্ত্ৰ গোৱাৰ দৰে আহোমসকলে বিয়াৰ

সময়ত চকলং কৰোঁতে বুৰঞ্জী পাঠ কৰাটো নিয়ম আছিল। ইয়াৰ পৰাই বুজিব পাৰি যে বুৰঞ্জীক ধর্মশাস্ত্ৰৰ দৰেই পৱিত্ৰ জ্ঞান কৰা হৈছিল।

বুৰঞ্জীসমূহৰ সঠিক ৰচনাকাল নির্ণয় কৰা টান যদিও বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে ষোল শতিকাৰ শেষ ভাগৰ পৰা ঊনবিংশ শতিকালৈ বুৰঞ্জী ৰচনাৰ ধাৰা অব্যাহত আছিল বুলি মত প্ৰকাশ কৰিছে। আহোম যুগত হাজাৰৰো অধিক বুৰঞ্জী হৈছিল বুলি অনুমান কৰা হয়। কিন্তু অসমৰ সেমেকা জলবায়ু, বানপানী, পোক-পৰুৱাৰ উৎপাত, মোগল আৰু মান-মৰাণৰ আক্ৰমণত অনেক বুৰঞ্জী চিৰদিনৰ বাবে লোপ পালে। তদুপৰি, কীর্তিচন্দ্ৰ বৰুৱাৰ বুৰঞ্জীদাহ এটি বুৰঞ্জী প্ৰসিদ্ধ দুর্ঘটনা। এতিয়ালৈকে মাত্ৰ ডেৰশমান বুৰঞ্জী উদ্ধাৰ হৈছে আৰু সেইবোৰ অসমৰ কেইবাটাও বিদ্যায়তনিক অনুষ্ঠানত সংৰক্ষিত হৈছে। প্ৰসিদ্ধ বুৰঞ্জীবিদ সূর্যকুমাৰ ভূঞাদেৱে বিষয়বস্তু আৰু সময়ৰ ফালৰ পৰা অসমৰ বুৰঞ্জীসমূহক তিনিটা শাখাত বিভক্ত কৰিছে —

(১) ৰজা ভগদত্তৰ দিনৰেপৰা আহোম ৰাজত্বৰ আৰম্ভণিলৈ প্ৰাচীন কামৰূপৰ হিন্দু ৰজাসকলৰ অসংলগ্ন ইতিহাস

(২) আহোম ৰজাসকলৰ ১২২৮ খ্ৰীঃৰ পৰা তেওঁলোকৰ ৰাজত্বৰ শেষ কাললৈকে বা ১৮৩৮ খ্ৰীঃ বা তাৰো পিছলৈ থকা আহোম ৰাজ্যৰ বুৰঞ্জী

(৩) অসমৰ বাহিৰে ওচৰ-চুবুৰীয়া অন্য দেশৰ বুৰঞ্জী।

প্ৰথম শাখাৰ ঐতিহাসিক নিদর্শন সূর্য্যকুমাৰ ভূঞাদেৱৰ সম্পাদিত গ্ৰন্থ *কামৰূপৰ বুৰঞ্জী*, মহামহোপাধ্যায় পদ্মনাথ ভট্টাচার্য প্ৰণীত *কামৰূপ শাসনাৱলী* আৰু ইয়াৰ ভূমিকা 'কামৰূপ ৰাজাৱলী' আদিত পোৱা যায়। এই শাখাৰ বুৰঞ্জী বহু ৰজা-মহাৰজাৰ চৰিত্ৰৰ বা কার্যাৱলী, পৌৰাণিক কাহিনী বা কিংবদন্তিৰ ওপৰত প্ৰতিষ্ঠিত। তেনেদৰে দ্বিতীয় শাখাৰ বুৰঞ্জীবোৰৰ ভিতৰত পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে সম্পাদনা কৰা *পুৰণি অসম বুৰঞ্জী*, ৰাজমন্ত্ৰী আতন বুঢ়াগোহাঁই প্ৰণীত *বাঁহগড়ীয়া বুৰঞ্জী*, স্বর্গদেউ গদাধৰ সিংহৰ ৰাজত্ব কাললৈকে বর্ণিত *পুৰণি অসম বুৰঞ্জী* আৰু সুকুমাৰ মহন্তৰ ঘৰত পোৱা *অসম বুৰঞ্জী* সপ্তদশ শতিকাত ৰচিত। এই শাখাৰ অন্তর্গত *তুংখুঙীয়া বুৰঞ্জী* শ্ৰীনাথ বৰুৱাই ১৮০৩ খ্ৰীঃত ৰচনা কৰে। এই বুৰঞ্জীত গদাধৰ সিংহৰ পৰা চন্দ্ৰকান্ত সিংহৰ দিনলৈকে আহোম ৰাজত্বৰ বিৱৰণ আছে। সেইদৰে কাশীনাথ তামুলী ফুকন আৰু ৰাধানাথ বৰবৰুৱাৰ দ্বাৰা ৰচিত *অসম বুৰঞ্জী পুথি* আৰু হৰকান্ত বৰুৱা সদৰামিনৰ *অসম বুৰঞ্জীত* প্ৰাচীন কালৰ পৰা আহোম ৰাজত্বৰ শেষলৈকে ৰাজ্যৰ বর্ণনা আছে। *দেওধাই অসম বুৰঞ্জীত* আহোমসকলৰ পুৰণি ইতিহাস পোৱা যায়। দুতিৰাম স্বর্ণকাৰ হাজৰিকাই ছন্দত ৰচনা কৰা *কলি ভাৰত* আৰু বিশ্বেশ্বৰ বৈদ্যাধিপে *বেলিমাৰৰ বুৰঞ্জী* গ্ৰন্থত আহোম ৰাজত্বৰ শেষ কালৰ কথা বর্ণনা কৰিছে। তৃতীয় শাখাৰ বুৰঞ্জীসমূহত আহোম স্বর্গদেউসকলৰ সংস্পর্শলৈ অহা ওচৰ-চুবুৰীয়া ৰজা আৰু তেওঁলোকৰ ৰাজ্যৰ বিৱৰণ আছে। এনে বুৰঞ্জীৰ ভিতৰত *কছাৰী বুৰঞ্জীত* প্ৰাচীন কালৰে পৰা ৰুদ্ৰসিংহৰ

সমসাময়িক কছাৰী ৰজা তাম্রধ্বজৰ দিনলৈকে কছাৰী ৰাজ্যৰ বিৱৰণ পোৱা যায়। *জয়ন্তীয়া বুৰঞ্জী*ত পুৰণি কালৰে পৰা স্বৰ্গদেউ শিৱসিংহৰ দিনলৈ জয়ন্তীয়া আৰু খৈৰাম (খাচি) ৰজাৰ বিৱৰণ আৰু আহোম ৰজাৰ লগত থকা সম্বন্ধৰ কথা সন্নিবিষ্ট হৈছে। *ত্রিপুৰা বুৰঞ্জী* স্বৰ্গদেউ ৰুদ্রসিংহৰ দিনৰ সমসাময়িক ত্রিপুৰা দেশৰ ৰাজনৈতিক, অর্থনৈতিক, সামাজিক আদি অৱস্থা লৈ ৰচিত। *পাদশ্যাহ বুৰঞ্জী*ত টাইমুৰৰ ভাৰত আক্রমণ,মোগল বাদছাহ হুমায়ুন, ছাহজাহান, ঔৰংগজেৰ আদিৰ ৰাজত্ব সম্পর্কে নানা বিৱৰণ আছে। উল্লিখিত বুৰঞ্জীসমূহৰ উপৰি আহোম যুগৰ ৰজা বা ডা-ডাঙৰীয়াসকলৰ অনুপ্রেৰণা বা গাইগুটীয়া প্রচেষ্টাত আৰু অসংখ্য বুৰঞ্জী ৰচিত হয়। অৱশ্যে এতিয়াও বহুত বুৰঞ্জী অনাৱিষ্কৃত অৱস্থাত মানুহৰ ধোঁৱাচাঙত পৰি ৰৈছে। আহোম যুগত হাজাৰৰো অধিক বুৰঞ্জী ৰচিত হৈছিল বুলি অনুমান কৰা হয়। কিন্তু অসমৰ সেমেকা জলবায়ু, বানপানী, পোক-পৰুৱাৰ উৎপাত, মোগল আৰু মান-মৰাণৰ আক্রমণত অনেক বুৰঞ্জী চিৰদিনৰ বাবে লোপ পালে। তদুপৰি, কীর্তিচন্দ্র বৰুৱাৰ বুৰঞ্জীদাহ এটি বুৰঞ্জী প্রসিদ্ধ দুর্ঘটনা। এতিয়ালৈকে মাত্র ডেৰশমান বুৰঞ্জী উদ্ধাৰ হৈছে আৰু সেইবোৰ অসমৰ কেইবাটাও বিদ্যায়তনিক অনুষ্ঠানত সংৰক্ষিত হৈছে।



জানি থোৱা ভাল

বুৰঞ্জী সাহিত্যৰ পণ্ডিত লীলা গগৈয়ে আহোম যুগৰ বুৰঞ্জীসমূহক ইয়াৰ বিষয়বস্তুলৈ লক্ষ্য কৰি কেইটামান বেলেগ ভাগত শ্রেণীবদ্ধ কৰি দেখুৱাইছে — (ক) প্রাক্-আহোম যুগৰ বুৰঞ্জী, (খ) আহোম যুগৰ বুৰঞ্জী, (গ) দাঁতিঅলীয়া বুৰঞ্জী, (ঘ) অন্য ৰাজ্যৰ বুৰঞ্জী, (ঙ) কটকী বুৰঞ্জী, (চ) চকীয়ালৰ বুৰঞ্জী আৰু (ছ) চাং-ৰুং ফুকনৰ বুৰঞ্জী।

মন কৰিবলগীয়া যে আধুনিক সমালোচকসকলে সংবাদ-সাহিত্য; আলোচনী সাহিত্য আদিৰ দৃষ্টিৰে পুৰণি অসম বুৰঞ্জীসমূহক 'বুৰঞ্জী সাহিত্য' আখ্যা দিছে। ৰাজনীতিৰ দৰে অতি নীৰস আৰু কঠোৰ ঘটনাৰ মাজৰ পৰা সাহিত্যিক ৰস নিগৰি ওলোৱা দৃষ্টান্ত ভাৰতীয় সাহিত্যত বিৰল। দৰাচলতে, সাহিত্যিক উপাদান পৰিলক্ষিত হোৱা বাবেই অসম বুৰঞ্জীসমূহক সাহিত্যৰ শ্রেণীভুক্ত কৰা হৈছে। এই বুৰঞ্জীসমূহ ৰাজনৈতিক সমলৰ বাবেই নহয়, ভাষাৰ বাবেও মহত্ত্বপূর্ণ। পুৰণি বুৰঞ্জীসমূহৰ সবাতোকৈ মূল্যৱান কীর্তি হ'ল তাৰ গদ্যৰীতি। থলুৱা জীৱনৰ মাত-কথাই ইয়াৰ মূল ভেটি। অর্থাৎ বুৰঞ্জীৰ ভাষা প্রাঞ্জল, সৰল, পোনপটীয়া আৰু কথিত ভাষাৰ বেছি ওচৰ চপা। ঐতিহাসিক ব্যক্তিসকলৰ প্রত্যক্ষ উক্তি থকাত বুৰঞ্জীয়ে নাটকীয় গুণ লাভ কৰিছে। তদুপৰি ঘৰুৱা উপমা, খণ্ডবাক্য আদিয়ে ইয়াৰ সাহিত্যিক সৌন্দর্য বঢ়াইছে। উদাহৰণস্বৰূপে— 'তিতা গছৰ আগো তিতা, গুৰিও তিতা'; 'পিঠি দিলে হাতী পর্বতকে নেদেখি'; 'বাৰীৰ ভিতৰত পুখুৰী সিচোঁতেও

আঠোটা দহোটা মানুহক শিঙীয়ে ফুটে'; 'নেজকটা বাঘকহে এৰিল'; 'বুঢ়াৰ হাতত চেঙেলি পৰিলে'; 'তলে-পুতল' আদি। বুৰঞ্জীত 'লেহেতীয়া', 'আগৰি', 'খাৰছাই' আদি অধুনা অপ্রচলিত শব্দৰ লগতে বাংলা, হিন্দী, ফাৰ্চী আদি ভাষাৰ শব্দৰ ব্যৱহাৰো মন কৰিবলগীয়া। পূৰ্বৰ গদ্যত থকা কাব্যিকতা, অনাৱশ্যক জটিলতা পৰিহাৰ কৰি বুৰঞ্জীৰ গদ্যই সৰলতৰ ৰূপ পৰিগ্রহ কৰিছে। সেয়েহে ক'ব পাৰি, বুৰঞ্জীবোৰ প্রধানতঃ ৰাজনৈতিক তথ্যভিত্তিক হ'লেও সামগ্রিকভাৱে এইবোৰ সাহিত্যিক গুণেৰেহে ৰসযুক্ত হৈছে। নিৰপেক্ষতা বুৰঞ্জীসমূহৰ এটা বিশেষত্ব। বুৰঞ্জীসমূহত ঘটনাৰ বিৱৰণ ক্রমানুসাৰে শৃঙ্খলাবদ্ধ ৰূপত কৰা হয়। ফলত চন-তাৰিখৰ বিভ্রান্তি সততে নঘটে। বুৰঞ্জীসমূহত বর্ণনীয় বিষয়ৰ প্রকৃতি আৰু চৰিত্রৰ মানসিক অৱস্থাৰ বা অনুভূতিৰ তীব্রতাৰ মাত্রা অনুসৰি ভাষাক গঢ় দিয়া হৈছে। উদাহৰণস্বৰূপে— "মই মাটিৰ গড় বান্ধিম খহিব, কাঠৰ গড় বান্ধিম পচিব, মই কথাৰ গড় বান্ধি দিছো প্রাণ পৰি ভূগী হ'ব।" সেইদৰে বুৰঞ্জীৰ গদ্যত ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, শব্দতত্ত্ব আৰু বাক্যতত্ত্বৰ ক্ষেত্রত কেতবোৰ বৈশিষ্ট্যপূর্ণ লক্ষণ পৰিলক্ষিত হয়। ধ্বনিতাত্ত্বিক দিশেৰে বিচাৰ কৰিলে দেখা যায় যে ইয়াৰ গদ্যত 'অ'ৰ পৰিৱর্তে 'আ', 'এ', 'ও', 'ই'ৰ প্রয়োগ আছে। যেনে — নাবাবৰ (নবাবৰ), বাৰেহাত (বাৰহাত), বৰিষনে (বৰষুণে) আদি। 'ঐ'ৰ ঠাইত 'এ', 'অ'ৰ প্রয়োগ। যেনে — সন্য (সৈন্য), উনেশ (ঊনৈশ)। ৰূপতাত্ত্বিক দিশেৰে সর্বনামৰ ক্ষেত্রত বুৰঞ্জীত পুৰণি অসমীয়া সর্বনামৰ প্রয়োগ মন কৰিবলগীয়া। উদাহৰণস্বৰূপে— মঞি, তঞি, কেমন, যতেক আদি। বিশেষণ প্রয়োগৰ ক্ষেত্রত আধুনিক অসমীয়াৰ লগত বুৰঞ্জীৰ যথেষ্ট সাদৃশ্য লক্ষ্য কৰা যায়। বুৰঞ্জীৰ গদ্যলৈ লক্ষ্য কৰিলে এইটোও দেখা পোৱা যায় যে বর্ণনামূলক বাক্য, প্রশ্নসূচক বাক্য, উপদেশমূলক বাক্য, চুটি আৰু দীঘল বাক্য, সৰল, জটিল আৰু যৌগিক বাক্যই বুৰঞ্জীৰ বিষয়বস্তুক যথার্থ ৰূপত উপস্থাপন কৰিবলৈ প্রয়াস কৰিছে। সেই লক্ষণ আৰু পৰিৱর্তনসমূহৰ প্রতি লক্ষ্য কৰিলে আমাৰ বোধগম্য হ'ব যে বুৰঞ্জীৰ গদ্যই ক্রমাৎ আধুনিক অসমীয়া গদ্যৰ ফালে গতি কৰাৰ প্রৱণতা এটাৰ ইংগিত দিছিল।

সূর্যকুমাৰ ভূঞাই সম্পাদনা কৰি প্রকাশ কৰা *পাদশ্যাহ বুৰঞ্জী*ত কোৱাৰ দৰে ক'ব পাৰি "বুৰঞ্জীৰ কথাখিনি শুকান হাড়ছাল নহয়, তাত ভাবৰ সাবেশ আৰু আবেগৰ সৌৰভ লক্ষ্য কৰিব পাৰি। বুৰঞ্জী আৰু সাহিত্যৰ এনে অপূর্ব ত্রিবেত্রী সংগম ব্রিটিছৰ পূর্ব যুগৰ কোনো ভাৰতীয় প্রাদেশিক সাহিত্যতে দেখিবলৈ পোৱা নাযায় বুলি ক'লেও সত্যৰ অপলাপ নহয়।"

সেয়েহে ক'ব পাৰি বুৰঞ্জীবোৰত ৰজা আৰু বিষয়াসকলৰ কার্যকলাপৰ লগতে দেশৰ সামাজিক, অর্থনৈতিক, ধার্মিক, সাংস্কৃতিক আদি অৱস্থাৰ কথা বর্ণিত হৈছে যদিও ভাষা আৰু গদ্যৰ ফালৰ পৰাও বুৰঞ্জীসমূহৰ মূল্য অসমীয়া সাহিত্যত চিৰ সমুজ্জ্বল। ছাৰ জর্জ আব্রাহাম গ্রীয়ার্ছনে *Linguistic Survey of India* গ্রন্থত অসমীয়া বুৰঞ্জী সাহিত্যৰ বিষয়ে দিয়া মন্তব্যৰেই ক'ব পাৰি—

The Assamese people are justly proud of their national literature. In no department have they been more successful than in a branch of study in which India, as a rule is curiously deficient. The historical works or *Buran~ji~s* are numerous and voluminous. A knowledge of the *Buran~ji~s* was an indispensable qualification to an Assamese gentleman.



চিন্তা-চৰ্চা কৰক — ৯.১

লীলা গগৈ ৰচিত *বুৰঞ্জী সাহিত্য* নামৰ পুথিখনিৰ সহায় লৈ অসমীয়া বুৰঞ্জী সাহিত্য বিষয়ত এটি প্ৰবন্ধ ৰচনা কৰক।

.....

.....

.....

.....

৯.৩.২ ব্যৱহাৰিক সাহিত্য

শংকৰোত্তৰ যুগৰ ঐশ্বৰ্যশালী সাহিত্যৰাজিৰ ভিতৰত ব্যৱহাৰিক সাহিত্যৰ বিশেষ ভূমিকা আছে। প্ৰকৃততে চৰিত সাহিত্য, বুৰঞ্জী সাহিত্যৰ দৰে মধ্যযুগত ৰচিত ইও এবিধ বিশেষ শ্ৰেণীৰ সাহিত্য। এইবিধ সাহিত্য ব্যৱহাৰিক জ্ঞান-শাস্ত্ৰমূলক। গদ্য-পদ্য উভয়তে ৰচিত এইবিধ সাহিত্যৰ ভিতৰুৱা কেইবাখনিও সংস্কৃত গ্ৰন্থ অসমীয়ালৈ অনূদিত হৈছে। আয়ুৰ্বেদ শাস্ত্ৰ, নিদান, জ্যোতিষ, অংক-আর্যা, নৃত্য-গীত, গৃহ নিৰ্মাণ আদি বিষয়ৰ গ্ৰন্থৰাজি ব্যৱহাৰিক সাহিত্যৰ অন্তৰ্গত। অষ্টাদশ শতিকাত এই ব্যৱহাৰিক জ্ঞান শাস্ত্ৰৰ কেইবাখনো পুথি ৰচিত হয়। অসমীয়া ভাষা সাহিত্যৰ ক্ৰমোন্নতিত ইবিলাকৰ বিশেষ ভূমিকা আছে। অসমৰ ব্যৱহাৰিক সাহিত্য সম্পৰ্কে বিৰিঞ্চিকুমাৰ বৰুৱাই *অসমীয়া কথা সাহিত্য, পুৰণি ভাগত* আগবঢ়োৱা মন্তব্যটি এই ক্ষেত্ৰত তাৎপৰ্যপূৰ্ণ — "...বিজ্ঞানৰ বিষয়বস্তুৰ ব্যাখ্যাৰ নিমিত্তে উপযোগী পোনপটীয়া বাক্যৰীতিৰ ব্যৱহাৰ এই ৰচনাৱলীত আছে। সেই একে কাৰণেই অর্থৰ দুৰ্বোধ্যতা অথবা অর্থৰ অস্পষ্টতা দোষৰ পৰা এই গ্ৰন্থসমূহ ভালেখিনি মুক্ত। সাহিত্যিক সৌন্দর্য আৰু গদ্য ৰচনা কৌশলৰ কথা এৰিও অসমীয়া কথা সাহিত্যৰ বুৰঞ্জীত এই গ্ৰন্থৰাজিৰ বিশেষ স্থান আছে।" কেইখনমান উল্লেখযোগ্য ব্যৱহাৰিক সাহিত্যৰ গ্ৰন্থ হ'ল—

১) *হস্তীবিদ্যাৰ্ণৱ* ঃ সুকুমাৰ বৰকাথ

২) *ঘোঁৰা নিদান* ঃ সুকুমাৰ বৰকাথ

৩) *ভাস্বতী*	ঃ	কবিৰাজ চক্রৱর্তী
৪) *শ্রীহস্তমুক্তাৱলী*	ঃ	শুভংকৰ
৫) *অঙ্কৰ আর্যা*	ঃ	কাশিনাথ
৬) *হিতোপদেশ*	ঃ	বাগীশ দ্বিজ
৭) *কামৰত্ন তন্ত্র*	ঃ	সুচান্দ ওজা
৮) *নীতি-লতাঙ্কুৰ*	ঃ	মধুমিশ্র বাগীশ
৯) *জ্যোতিষ চূড়ামণি*	ঃ	চূড়ামণি
১০) *লীলাৱতী*	ঃ	কবিৰত্ন দ্বিজ
১১) *কিতাৱৎ মঞ্জৰী*	ঃ	বকুল কায়স্থ; আদি।

ব্যৱহাৰিক সাহিত্যৰ সকলোখিনি গ্রন্থ পোহৰলৈ আহিছে বুলি এতিয়াও ক'ব নোৱাৰি। অনেক ৰচনা হয়তো এতিয়াও সাঁচিপাততে আবদ্ধ হৈ আছে। বর্তমানলৈকে পোহৰলৈ অহা ব্যৱহাৰিক সাহিত্যৰাজিৰ ভাষাই সেইযুগৰ ভাষা ৰীতিৰ বৈশিষ্ট্য বহন কৰিছে।

সুকুমাৰ বৰকাথৰ সচিত্র *হস্তীবিদ্যার্ণৱ, ঘোঁৰানিদান* আৰু কবিৰাজ চক্রৱর্তীৰ জ্যোতিষ সম্পর্কীয় কথা গ্রন্থ *ভাস্বতী* মহাৰাজ ৰুদ্রসিংহ আৰু শিৱসিংহৰ ৰাজত্বকালত অসমীয়া গদ্যত ৰচিত উল্লেখযোগ্য ব্যৱহাৰিক জ্ঞানৰ পুথি। ইয়াৰে *হস্তীবিদ্যার্ণৱ*ৰ ভাষাৰ লগত বুৰঞ্জীৰ ভাষা একে। উদাহৰণস্বৰূপে — "পর্বতৰ পৰা ওলাই আহি সোণৰ শৰ পহুৰে পানীৰ মুখত কটালি খালেহি। সেই পহুৰে পৰা কতো দিম থাকি দঁতাল-মাখুন্দী ছটা হাতী হৈ হাবিৰ বন-পছলা খাই ফুৰে, সকল জুৰিএ গুজৰি ফুৰে। তাৰপৰা অনেক লাখ বিলাখ হাতী হ'ল।"

হস্তীবিদ্যার্ণৱ গ্রন্থখন শম্ভুনাথ প্রণীত *গজেন্দ্র-চিন্তামণি* নামৰ সংস্কৃত গ্রন্থৰ ভিত্তিত প্রতিষ্ঠিত। এই গ্রন্থ ৰজা শিৱসিংহ আৰু ৰাণী অম্বিকাদেৱীৰ আদেশত সুকুমাৰ বৰকাথে ১৭৩৪ খ্রীষ্টাব্দত ৰচনা কৰে। হাতীৰ নানাবিধ শ্রেণীবিভাগ, হাতীৰ প্রকৃতি, ইয়াক বশ কৰাৰ কৌশল পদ্ধতি, হাতীৰ বেমাৰৰ চিকিৎসা পদ্ধতি আদি বিভিন্ন কথা এই গ্রন্থখনৰ মূল বিষয়বস্তু। এই পুথিখনৰ অন্তর্গত ছবিবোৰ দুজন মোগল শিল্পীয়ে আঁকিছিল। তেওঁলোকৰ নাম দিলবৰ আৰু দোচাই। এই ছবিবোৰ বিশেষ ধৰণৰ কলা নিপুণতাৰ পৰিচায়ক হোৱাৰ উপৰি ঐতিহাসিক দৃষ্টিকোণৰ পৰাও মূল্যৱান। একেদৰে অসমীয়া গদ্যত ৰচিত ব্যৱহাৰিক জ্ঞানৰ আন এখন উল্লেখনীয় পুথি হৈছে *ঘোঁৰা-নিদান*। ইয়াৰ ৰচনাৰ সময় সঠিকভাৱে জনা নাযায় যদিও ইয়াৰ ভাষাৰ পৰাই বুজা যায় যে ইও আহোম ৰাজত্বৰ শেষৰ ফালে— সম্ভৱতঃ ১৮ শ শতিকাৰ ভিতৰত ৰচিত। ঘোঁৰাৰ শ্রেণী, প্রকৃতি, বেমাৰ, চিকিৎসা আদি বৈষয়িক কথাবোৰ এই পুথিৰ বিষয়বস্তু। পুথিখনিৰ আৰম্ভণিতে আছে — "অথ গোঁৰাৰ লক্ষণ। টাঙ্গনৰ তিনি জাতি। টাটুকীৰ

তিনি জাতি। টাটুকীৰ বুকু বহল, ডিঙ্গি ডাঙ্গঁৰ। তাজীৰ বুকু চেপ, ডিঙ্গি সৰু। কিয় ভাল আচোৱাৰি হ'লে বিচাৰি পাব।"

এইবোৰ গ্ৰন্থ ৰজাঘৰীয়া অনুপ্ৰেৰণাত ৰচিত হৈছিল আৰু ব্যৱহাৰিক বিষয়ৰ পুথি কাৰণেই ব্যৱহাৰিক ভাষাৰ প্ৰয়োগ এইবোৰত লক্ষ্য কৰা যায়।

শতানন্দ ভট্টাচাৰ্যই সংস্কৃতত ৰচনা কৰা জ্যোতিষ শাস্ত্ৰ *ভাস্বতী*ৰ অসমীয়া গদ্যানুবাদ হৈছে কবিৰাজ চক্ৰৱৰ্তীৰ *ভাস্বতী*। এই অনূদিত গ্ৰন্থখন মূল গ্ৰন্থতকৈ চুটি যদিও ইয়াৰ মাজত জ্যোতিষ শাস্ত্ৰৰ বিভিন্ন কথা সোমাই আছে। একেদৰে আন এখন উল্লেখযোগ্য ব্যৱহাৰিক জ্ঞান সম্বলিত গ্ৰন্থ হৈছে *শ্ৰীহস্তমুক্তাৱলী*। সংস্কৃত শ্লোকত ৰচিত *শ্ৰীহস্তমুক্তাৱলী*ৰ প্ৰণেতা শুভংকৰ। অসমৰ উপৰি বংগদেশ আৰু মিথিলায়ো এইজনা কবিক নিজৰ বুলি দাবী কৰে। আউনীআটী সত্ৰত পূৰ্ণৱ্দপৰ *শ্ৰীহস্তমুক্তাৱলী*খন পোৱাৰ পৰা শুভংকৰক অসমৰ বুলি দাবী কৰাৰ অধিক থল আছে। পুথিখনৰ অসমীয়া অনুবাদটি খ্ৰীষ্টীয় সপ্তদশ শতিকাৰ শেষ বা অষ্টাদশ শতিকাৰ প্ৰথমাৰ্ধৰ ভিতৰৰ সৃষ্টি। *শ্ৰীহস্তমুক্তাৱলী*ৰ অসমীয়া অনুবাদে পুৰণি কালত অসমত সংগীত শাস্ত্ৰৰ প্ৰচলনৰ কথাটি সুন্দৰভাৱে প্ৰমাণ কৰে। এই গ্ৰন্থখন নৃত্য আৰু নৃত্যৰ মুদ্ৰা বিষয়ক এখনি প্ৰামাণিক গ্ৰন্থ। হস্তৰ অসংযুক্ত, সংযুক্ত আৰু নৃত্য-হস্ত— এই তিনিভাগৰ গোটেইবোৰ কথা ইয়াত বৰ্ণিত হৈছে। পুথিখনত মুঠতে ৯১৬ টা শ্লোক আছে।

সেইদৰে কমলেশ্বৰ সিংহৰ দিনত বাগীশ দ্বিজে *হিতোপদেশ* অসমীয়া পদলৈ অনুবাদ কৰে। এওঁৰে সম্ভৱতঃ কামন্দকীয় নীতিশাস্ত্ৰৰ সংগ্ৰহ *নীতি-লতাঙ্কুৰ*। আউনীআটী সত্ৰৰ ষষ্ঠ অধিকাৰ প্ৰাণহৰিদেৱৰ দিনৰ মধুমিশ্ৰ বাগীশে দুৱৰা বংশৰ হৰনাথ ভিতৰুৱাল ফুকনৰ অনুপ্ৰেৰণাত *নীতি-লতাঙ্কুৰ* ৰচনা কৰে বুলি আউনীআটী সত্ৰৰ বুৰঞ্জীত খৰচি মাৰি আলোচনা কৰিছে। এই *নীতি-লতাঙ্কুৰ* গ্ৰন্থৰ মূল পাঠসমূহ সংস্কৃতত আছে; কিন্তু তাৰ ভাঙনিসমূহ অসমীয়া গদ্যৰ বিশুদ্ধ চানেকী। এই গ্ৰন্থৰ গদ্যও বুৰঞ্জীৰ গদ্যৰ সমপৰ্যায়ৰ।

*কামৰত্ন তন্ত্ৰ*ও হৈছে একে নামৰে সংস্কৃত শ্লোকৰ এখন গ্ৰন্থৰ অসমীয়া গদ্যানুবাদ। মূল গ্ৰন্থখনৰ ৰচক গোৰখ নাথ। ইয়াৰ অসমীয়া অনুবাদকজনৰ নাম সুচান্দ ওজা। শিৱ-পাৰ্বতীৰ কথোপকথনৰ মাজেদি এই পুথিৰ বিষয়বস্তু প্ৰকাশিত হৈছে। বিশেষকৈ এই পুথিখনত স্তম্ভন, বশীকৰণ, মাৰণ, উৎচাটন আদি তান্ত্ৰিক কথাবোৰ আৰু সাধন প্ৰণালীৰ বিৱৰণ দিয়া হৈছে। পুথিখনিৰ আৰম্ভণিতে আছে — 'শ্ৰীকৃষ্ণায় নমঃ। অথশিৱ-পাৰ্বতী সম্বাদ। একদিনা পাৰ্বতীয়ে শঙ্কৰক সুধন্ত, প্ৰভূ কাম ৰত্ন তন্ত্ৰ মোক কহা। শঙ্কৰে কহন্ত জানা পাৰ্বতী, বশ, আকৰ্ষণ, বিদ্বেষণ, স্তম্ভণ, মাৰণ, শান্তিপুষ্টি আদি কৰি এই কৰ্ম্মসকল যে কালত যে নিয়মে কৰিব তাহক কহো।"

তদুপৰি কাশীনাথৰ *অঙ্কৰ-আমৰ্গ*, চূড়ামণিৰ *জ্যোতিষ চূড়ামণি*, কবিৰত্ন দ্বিজৰ *লীলাৱতী*, বকুল কায়স্থৰ *কিতাবৎ মঞ্জৰী* আদি ব্যৱহাৰিক সাহিত্যৰ উল্লেখযোগ্য

পুথি। এই পুথিবোৰ জ্যোতিষ, গণিত আদি বিষয়ক। এই ব্যৱহাৰিক সাহিত্য বিষয়ক গ্ৰন্থবোৰ প্ৰায় ষোড়শ শতিকাৰ পৰা অষ্টাদশ শতিকাৰ ভিতৰত ৰচিত আৰু এই ব্যৱহাৰিক সাহিত্যখিনিয়ে শংকৰোত্তৰ যুগৰ সাহিত্যৰ ধাৰা হিচাপে চিহ্নিত হোৱাৰ লগতে মধ্যযুগৰ অসমীয়া গদ্য সাহিত্যৰ সুন্দৰ চানেকী বহন কৰিছে।

অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ ইতিহাসত ব্যৱহাৰিক গ্ৰন্থকেইখনত প্ৰয়োগ হোৱা গদ্যৰ বিশেষ গুৰুত্ব আছে। ব্যৱহাৰিক সাহিত্যৰাজিত সততে প্ৰয়োগ হোৱা ধ্বনিগত বিশেষত্ব কেইটামান এনেধৰণৰ — 'অ'ৰ ঠাইত 'উ' — নুৱৰিয়া (নৰিয়া), 'ই'ৰ ঠাইত 'ঞি' — তাঞিকে (তাইকে), 'শ'ৰ ঠাইত 'স' — সুকুলা (শুকুলা) ইত্যাদি। ঠিক সেইদৰে ৰূপতাত্ত্বিক দিশতো কিছুমান বৈশিষ্ট্য পৰিলক্ষিত হ'ল — তঞি, মোত, মই, আমি, আপুনি আদি সৰ্বনামৰ প্ৰয়োগ; খন, টো, টা, গচ, মহা, জোৰ আদি নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ প্ৰয়োগ ইত্যাদি। ব্যৱহাৰিক সাহিত্যত সংস্কৃত আৰু অনা-সংস্কৃত শব্দ (যেনে— প্ৰভাত, তেন্তেলি, ঋতু), কামৰূপী উপভাষাৰ শব্দ (যেনে— বুলন, ৰাজা, ভিঠা), অন্যান্য দেশী আৰু বিদেশী ভাষাৰ শব্দৰ প্ৰয়োগ ঘটিছে। তদুপৰি — গৈছেন, নাকৰিলাম আদি বাংলা শব্দৰ ব্যৱহাৰো আছে। এই শ্ৰেণীৰ সাহিত্যৰ বাক্যৰ গঠন অতি চুটি, সহজ-সৰল বাক্যৰ প্ৰয়োগ বৰ্তমান, যেনে —"পাছে ৰাজাএ প্ৰভাতে পণ্ডিতৰ হতোৱাএ চোৱালে।" *(হস্তীবিদ্যাৰ্ণৱ)*



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

(ক) সূৰ্যকুমাৰ ভূঞাদেৱে বিষয়বস্তু আৰু সময়ৰ ফালৰ পৰা অসমৰ বুৰঞ্জীসমূহ চাৰি ভাগত ভাগ কৰিছিল।

(খ) *বেলিমাৰৰ বুৰঞ্জী*ৰ প্ৰণেতা বিশ্বেশ্বৰ বৈদ্যাধিপ।

(গ) বুৰঞ্জীদাহ কাৰ্য সংঘটিত হৈছিল কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ আদেশত।

(ঘ) বুৰঞ্জী শব্দটি আহোম শব্দ।

.....

প্ৰশ্ন নং ২ ঃ খালি ঠাই পূৰণ কৰক—

(ক) ব্যৱহাৰিক সাহিত্য মূলতঃ .....।

(খ) *হস্তীবিদ্যাৰ্ণৱ* আৰু *ঘোঁৰা নিদান* ৰচনা কৰিছিল .....।

(গ) *শ্ৰীহস্তমুক্তাৱলী*ৰ প্ৰণেতা হ'ল .....।

৯.৩.৩ অন্যান্য সাহিত্য

শংকৰোত্তৰ কালৰ সময়ছোৱাত চৰিত সাহিত্য, বুৰঞ্জী সাহিত্য, ব্যৱহাৰিক

সাহিত্য, নাট্য সাহিত্য, কাব্য সাহিত্যৰ উপৰি আন আন বিবিধ সাহিত্যও ৰচিত হৈছিল। বিশেষকৈ সমসাময়িক অসমৰ বিভিন্ন স্থানত ৰাজত্ব কৰি থকা ৰজাসকল, যেনে — বৰাহী ৰজাসকল, কামৰূপ, কমতাৰ নৃপতিসকল, দৰঙী ৰজাসকল আৰু আহোম ৰজাসকলেও অসমীয়া সাহিত্যৰ সৃষ্টি ক্ষেত্ৰত বিশেষ অৱদান আগবঢ়াই গৈছে। ইতিমধ্যে আগৰটো অধ্যায়ত আমি বিভিন্ন পু�ৰাণ, মহাভাৰত, ৰামায়ণৰ আধাৰত ৰচিত কাব্যসমূহৰ কথা চমুকৈ উল্লেখ কৰি আহিছোঁ। সেইখিনিৰ বাহিৰেও এই সময়ছোৱাত ৰচিত হৈছিল বিভিন্ন অনুবাদমূলক ৰচনা, চুফী সাহিত্য, মন্ত্ৰ তথা শাক্ত সাহিত্য আদি। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে শংকৰোত্তৰ কালত গোপালদেৱ, ভৱানীপুৰীয়া আতা, শ্ৰীৰাম আতা, পৰমানন্দ আদি কবিসকলেও তেৱাসবৰ গুৰু দুজনাৰ আৰ্হিত বিবিধ গীত ৰচনা কৰিছিল।

মহাভাৰতকে আদি কৰি বিভিন্ন পুৰাণে অসমীয়া কবিসকলক পূৰ্বৰে পৰা আকৃষ্ট কৰি অহাৰ কথা আপুনি নিশ্চয় অৱগত। আমাৰ আলোচ্য সময়ছোৱাত এইবোৰৰ আধাৰত বিভিন্ন কাব্য ৰচনা কৰাৰ উপৰি বহু পুথি অসমীয়ালৈ অনুবাদো কৰা হৈছে। সেইবোৰৰ ভিতৰত *মহাভাৰতৰ* আদি পর্ব, সভাপর্ব, বনপর্ব, বিৰাট পর্ব, উদ্যোগপর্ব, ভীষ্ম পর্ব, দ্রোণ পর্ব , কর্ণপর্ব, শল্যপর্ব, গদাপর্ব, ঐষিক পর্ব, স্ত্রীপর্ব, শান্তিপর্ব, অশ্বমেধপর্ব, আশ্রমিক পর্ব, মূষলপর্ব, মহাপ্রস্থানিক পর্ব আৰু স্বর্গাৰোহণ পর্বৰ অনুবাদ উল্লেখযোগ্য। ঠিক সেইদৰে বিষ্ণু ভাৰতীয়ে *ভাগৱতৰ* চতুর্থ স্কন্ধৰ পৰা বিষয়বস্তু লৈ *ভাগৱত-ৰত্ন* আৰু *ধ্ৰুৱ চৰিত্ৰ* নামৰ দুখন পুথি ৰচনা কৰে। গোপালচৰণ দ্বিজে তৃতীয় স্কন্ধ ভাগৱতৰ ভাঙনি কৰে। কেশৱ কায়স্থই ভাগৱতৰ সপ্তম স্কন্ধ (প্ৰহ্লাদ চৰিত্ৰ) আৰু নৱম স্কন্ধ অনুবাদ কৰে। *নাৰদীয়-কথামৃতৰ* আধাৰ বৃহন্নাৰদীয় পুৰাণৰ ভক্তিতত্ত্ব ৰচনা কৰিছিল কছাৰী ৰজা সুৰদর্পনাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰা কবি ভুৱনেশ্বৰ বাচস্পতিয়ে। দুর্গেশ্বৰ দ্বিজে ৰাজেশ্বৰ সিংহৰ দিনত *ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ* প্ৰকৃতিখণ্ড অনুবাদ কৰিছিল। ৰামনাৰায়ণ চক্ৰৱৰ্তীয়ে শিৱসিংহৰ দিনত *ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ* 'কৃষ্ণ জন্ম খণ্ড' অনুবাদ কৰিছিল। মন কৰিবলগীয়া যে এই সময়ৰ অনুবাদক কবিসকলে প্ৰয়োজনানুসাৰে কল্পিত কাহিনী সংযোগ কৰাৰ লগতে সততে লোকৰঞ্জনৰ দিশটোৰ প্ৰতিও গুৰুত্ব আৰোপ কৰিছিল।

শংকৰোত্তৰ কালতে অসমীয়া সাহিত্যত প্ৰৱেশ কৰে চুফীবাদৰ প্ৰভাৱ। সত্যেন্দ্ৰনাথ শর্মাই উল্লেখ কৰি গৈছে যে এই সময়ছোৱাতে জিকিৰ আৰু জাৰী গীতবোৰৰ উপৰি এনে কেইখনমান পুথি ৰচিত হৈছিল যিকেইখনৰ মূল উৎস ষোড়শ শতিকাৰ চুফী কবি কুতবনৰ *মৃগাৱতী* আৰু সেই শতিকাৰ কবি মঞ্ঝনৰ *মধুমালতী*। উদাহৰণস্বৰূপে ৰাম দ্বিজে *মৃগাৱতী চৰিত*, পশুপতি দ্বিজে *চন্দ্ৰাৱলী* আৰু কোনো এগৰাকী অজ্ঞাত লেখকে *মধুমালতী* ৰচনা কৰিছিল। এইকেইখনৰ ৰচনাৰ বিষয়ে সত্যেন্দ্ৰনাথ শর্মাই মন্তব্য কৰিছে — "এই দুখন কাব্য বৈষ্ণৱ কাব্যৰ আৰ্হিত ৰচনা কৰিছে যদিও মানৱ প্ৰেমৰেই অভিব্যক্তি দেখুৱাইছে; মূল চুফীবাদৰ প্ৰেম-সাধনাক ৰূপকৰ ছলেৰে প্ৰকাশ

কৰা নাই। কাব্য দুখনত চুফীকাব্যৰ আদর্শও ব্যক্ত হোৱা নাই, বৈষ্ণৱ কাব্যৰ হৰিভক্তিৰ আদর্শয়ো প্রাধান্য লাভ কৰা নাই।"

এই সময়ছোৱাত সৱহ সংখ্যক আহোম ৰজাই শাক্ত ধর্মৰ প্রতি আকৃষ্ট হৈ শাক্ত ধর্মক ৰাজধর্মৰ মান্যতা প্রদান কৰিছিল আৰু ফলত দেৱী মাহাত্ম্য বিষয়ক গীত-পদ ৰচিত হ'বলৈ ধৰে। শিৱসিংহ আৰু বৰৰাজা ফুলেশ্বৰী (প্রমথেশ্বৰী)ৰ পৃষ্ঠপোষকতাত অনন্ত আচার্যই *আনন্দ লহৰী* ৰচনা কৰিছিল। ৰুচিনাথ কন্দলীয়ে *মার্কণ্ডেয় চণ্ডী* আৰু *কল্কি পুৰাণ,* ৰঙ্গনাথ চক্রৱর্তী আৰু মধুসূদন মিত্রৰ *মার্কণ্ডেয় চণ্ডীৰ* অনুবাদ, ৰামচন্দ্র বৰপাত্রৰ *যোগিনীতন্ত্র* উল্লেখযোগ্য। ইয়াৰ উপৰি এই সময়ছোৱাত ৰচিত অন্যান্য শাক্ত আৰু তন্ত্র পুথিৰ ভিতৰত অজ্ঞাত কবিৰ *কালিকা পুৰাণ, গুপ্তমণি, গুপ্তসাৰ* আদিৰ নাম ল'ব পাৰি।

এই আলোচনাৰ পৰা আপুনি শংকৰোত্তৰ যুগৰ অন্যান্য সাহিত্যৰাজিৰ বিষয়েও ধাৰণা লাভ কৰিলে লগতে অনুধাৱন কৰিলে যে অসমীয়া সাহিত্যৰ ক্রমবিকাশৰ বুৰঞ্জীত গৌৰৱময় 'শংকৰী যুগ' আৰু 'অৰুণোদয় যুগ'ৰ মাজত অৱস্থান কৰা 'শংকৰোত্তৰ যুগ'ৰ ঐতিহাসিক গুৰুত্বও কম নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ শংকৰোত্তৰ কালত ৰচিত শাক্ত আৰু তন্ত্র পুথি কেইখনমানৰ নাম লিখক।

.....

.....



৯.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- চৰিত সাহিত্যৰ দৰে বুৰঞ্জী সাহিত্য আৰু ব্যৱহাৰিক সাহিত্য শংকৰোত্তৰ যুগৰ অভিনৱ অৱদান। এই তিনিওবিধ সাহিত্যই অসমীয়া সাহিত্যত তিনিটা নতুন ধাৰাৰ সংযোগ ঘটায়। ফলত অসমীয়া সাহিত্যৰ বুৰঞ্জীত এই যুগটোৱে এক সুকীয়া মর্যাদা লাভ কৰিবলৈ সক্ষম হৈছে।
- শংকৰোত্তৰ যুগৰ ঐশ্বর্যশালী সাহিত্যৰাজিৰ ভিতৰত ব্যৱহাৰিক সাহিত্যৰ বিশেষ ভূমিকা আছে। প্রকৃততে চৰিত সাহিত্য, বুৰঞ্জী সাহিত্যৰ দৰে মধ্যযুগত ৰচিত ইও এবিধ বিশেষ শ্রেণীৰ সাহিত্য। এইবিধ সাহিত্য ব্যৱহাৰিক জ্ঞান-শাস্ত্র মূলক। গদ্য-পদ্য উভয়তে ৰচিত

এইবিধ সাহিত্যৰ ভিতৰুৱা কেইবাখনিও সংস্কৃত গ্ৰন্থ অসমীয়ালৈ অনূদিত হৈছে। আয়ুৰ্বেদ শাস্ত্ৰ, নিদান, জ্যোতিষ, অংক-আর্যা, নৃত্য-গীত, গৃহ নির্মাণ আদি বিষয়ৰ গ্ৰন্থৰাজি ব্যৱহাৰিক সাহিত্যৰ অন্তর্গত।

- শংকৰোত্তৰ কালৰ সময়ছোৱাত চৰিত সাহিত্য, বুৰঞ্জী সাহিত্য, ব্যৱহাৰিক সাহিত্য, নাট্য সাহিত্য, কাব্য সাহিত্যৰ উপৰি আন আন বিবিধ সাহিত্যও ৰচিত হৈছিল। এই সময়ছোৱাত ৰচিত হৈছিল বিভিন্ন অনুবাদমূলক ৰচনা, চুফী সাহিত্য, মন্ত্ৰ তথা শাক্ত সাহিত্য আদি। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে শংকৰোত্তৰ কালত গোপালদেৱ, ভৱানীপুৰীয়া আতা, শ্ৰীৰাম আতা, পৰমানন্দ আদি কবিসকলেও তেৰাসবৰ গুৰু দুজনাৰ আৰ্হিত বিবিধ গীত ৰচনা কৰিছিল।



৯.৫ অধিক জানিবলৈ

১) গগৈ, লীলা (২০০২); *বুৰঞ্জী সাহিত্য;* গুৱাহাটী ঃ বনলতা।

২) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৩) ফুকন পাটগিৰি, দীপ্তি (১৯৯৭); *মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্যৰ ৰেঙনি;* গুৱাহাটী ঃ বনলতা।

৪) বর্মন, শিৱনাথ (সম্পাঃ) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী, দ্বিতীয় খণ্ড;* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৫) ভূঞা, সূর্যকুমাৰ (সম্পাঃ)(১৯৮৮); *অসম বুৰঞ্জী;* গুৱাহাটী ঃ অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ।

৬) ভূঞা, সূর্যকুমাৰ (সম্পাঃ)(১৯৬৪); *সাতসৰী অসম বুৰঞ্জী;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

৭) শর্মা, নবীন (সম্পাঃ) (১৯৯৫); *শিৱ-পুৰাণ;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

৮) শর্মা, সত্যেন্দ্ৰনাথ (২০০৯); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৯) শর্মা, হেমন্ত কুমাৰ (২০০৭); *অসমীয়া সাহিত্যত দৃষ্টিপাত;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

১০) হাজৰিকা, পৰীক্ষিত (সম্পাঃ) (১৯৯৫); *শ্ৰীশ্ৰীচণ্ডী;* গুৱাহাটী ঃ ডালিমী প্ৰকাশন।

৯.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ খ) শুদ্ধ গ) শুদ্ধ ঘ) শুদ্ধ

২ নং প্রশ্নৰ উত্তৰ ঃ ক) জ্ঞান শাস্ত্রমূলক খ) সুকুমাৰ ৰৰকাথে গ) শুভংকৰ

৩ নং প্রশ্নৰ উত্তৰ ঃ অনন্ত আচার্যৰ *আনন্দ লহৰী,* ৰুচিনাথ কন্দলীৰ *মার্কণ্ডেয় চণ্ডী* আৰু *কল্কি পুৰাণ,* ৰঙ্গনাথ চক্রৱর্তী আৰু মধুসূদন মিত্রৰ *মার্কণ্ডেয় চণ্ডীৰ* অনুবাদ, ৰামচন্দ্র ৰৰপাত্রৰ *যোগিনীতন্ত্র,* অজ্ঞাত কবিৰ *কালিকা পুৰাণ, গুপ্তমণি, গুপ্তসাৰ* আদি।



৯.৭ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ বুৰঞ্জী সাহিত্য কাৰ পৃষ্ঠপোষকতাত গঢ় লৈ উঠিছিল?

প্রশ্ন ২ ঃ চুফী সাহিত্য বুলিলে কি বুজে?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ শংকৰোত্তৰ যুগত কি কি ব্যৱহাৰিক বিষয়ৰ পুথি ৰচনা হৈছিল? সেই পুথিকেইখনিৰ নাম উল্লেখ কৰক।

প্রশ্ন ১ ঃ শংকৰোত্তৰ যুগত ৰচিত বুৰঞ্জী কেইখনমানৰ নাম লিখক।

প্রশ্ন ৩ ঃ চমুটোকা লিখক—

২) *বেলিমাৰৰ বুৰঞ্জী* ৪) *ঘোঁৰা নিদান* ৫) *হস্তীবিদ্যার্ণৱ*

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ শংকৰোত্তৰ যুগত ৰচিত বুৰঞ্জী সাহিত্যৰ বিষয়ে বহলাই আলোচনা কৰক।

প্রশ্ন ২ ঃ শংকৰোত্তৰ যুগত ৰচিত ব্যৱহাৰিক সাহিত্যৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্রশ্ন ৩ ঃ শংকৰোত্তৰ যুগত ৰচিত অন্যান্য সাহিত্যৰ বিষয়ে এটি প্রবন্ধ যুগুত কৰক।

*** ***** ***